জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৪৪/২০২২

খাগৰিজান তৈল ক্ষেত্ৰ পুনৰাম্ভণি অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

# ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াৰ বান আৰু গৰাখহনীয়া ৰোধৰ বাবে দুখন আঁচনিৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ আগষ্ট** ঃ প্ৰশাসনিক আৰু পৰিৱেশজনিত সমস্যাৰ বাবে ২০০৭ চনৰ নৱেম্বৰ মাহৰ পৰা স্থগিত হৈ থকা ডিব্ৰুগড়ৰ জিলাৰ ৰহমৰীয়াস্থিত অইল ইণ্ডিয়া লিমিটেডৰ খাগৰিজান তৈল খাদৰ পৰা খাৰুৱা তেলৰ উদ্‌ঘাটন আৰু উৎপাদন কাৰ্যৰ আজি পুনৰ আৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

১৯৯৮ চনৰ নৱেম্বৰ মাহত এই তৈল ক্ষেত্ৰখন অন্বেষণমূলক খাদ- কে জি জে-১ খননৰ জৰিয়তে আৱিষ্কাৰ কৰা হৈছিল। এই অঞ্চলত চাৰিটা খাদ খনন কৰি ২০০৪ চনৰ ডিচেম্বৰ মাহত উৎপাদন আৰম্ভ কৰা হয়। ব্ৰহ্মপুত্ৰ নদীৰ পৰা মাত্ৰ ১.৮ কিঃমিঃ নিলগত এই খাগৰীজান তৈলখাদটো অৱস্থিত আছিল। ব্ৰহ্মপুত্ৰ নৈৰ ব্যাপক গৰাখহনীয়াৰ লগতে বিভিন্ন স্থানীয় সংগঠনে এই অঞ্চলত অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যকলাপত বাধাৰ সৃষ্টি কৰাৰ ফলত বৰ্দ্ধিত আৰু দীৰ্ঘদিনীয়া অৱৰোধৰ বাবে ২০০৭ চনৰ নৱেম্বৰৰ পৰা অইলে ইয়াত নিজৰ সকলো কাৰ্যকলাপ স্থগিত ৰাখিছিল।

মুখ্যমন্ত্ৰী ড° শৰ্মাই এছ ডি আৰ এফ আৰু এছ অ' পি ডিৰ অধীনত ৰহমৰীয়াক বান আৰু গৰাখহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে ১৭ কোটি টকা ব্যয় সাপেক্ষে দুখন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত ব্ৰহ্মপুত্ৰ নদীৰ লিটিং গাঁৱৰ পৰা ৰহমৰীয়া গাঁৱলৈ বানপানীৰ ক্ষতিসাধনৰ পৰা পুনৰুদ্ধাৰৰ বাবে এখন আঁচনি আৰু ৰহমৰীয়াত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা বৰটিচুকলৈ আন এখন আঁচনি অন্তৰ্ভূক্ত কৰা হৈছে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰহমৰীয়াত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াই বিধ্বংসী ৰূপ ধাৰণ কৰাৰ ফলত স্থানীয় ৰাইজ বাৰুকৈয়ে প্ৰভাৱিত হৈছে। সুদীৰ্ঘ বছৰ ধৰি এইসকলোবো সমস্যাৰ স্থায়ী সমাধানৰ বাবে বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰা হৈছিল যদিও কেইবাটাও কাৰকৰ বাবে ইয়াক বাস্তৱায়িত কৰিব পৰা হোৱা নাই। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ক্ষমতালৈ অহাৰ পাছৰে পৰা বৰ্তমান ৰাজ্য চৰকাৰে ৰহমৰীয়াত বানপানী আৰু খহনীয়া সমস্যা সমাধানৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলত জলসম্পদ বিভাগে শেহতীয়াভাৱে ৰহমৰীয়াত বান আৰু খহনীয়াৰ পৰা সুৰক্ষাৰ বাবে দুখন আঁচনি ৰূপায়ণৰ কাম সম্পূৰ্ণ কৰিব পাৰিব।

ৰহমৰীয়াৰ সুৰক্ষাৰ বাবে এতিয়ালৈকে মথাউৰি নিৰ্মাণৰ আশী শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে মথাউৰিৰ বাকী অংশ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে অতিৰিক্ত

১৬.১৩ কোটি টকা অনুমোদন জনাব। মুখ্যমন্ত্ৰী ড° শৰ্মাই জলসম্পদ বিভাগক উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি গুণগতমানৰ কাম নিশ্চিত কৰিবলৈ আহ্বান জনায়।

তদুপৰি, স্থানীয় ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই মথাউৰি নিৰ্মাণৰ সংগ্ৰামত জীৱন আহুতি দিয়া বলো বৰগোঁহাইৰ নামেৰে মথাউৰিটো নামাকৰণ কৰা হ'ব বুলি ঘোষণা কৰে।

অসমৰ জনসাধাৰণৰ স্বাৰ্থ পূৰণ আৰু ৰাজ্যৰ উন্নয়নৰ বাবে সুচাৰুৰূপে কাম-কাজ চলাই নিয়াৰ বাবে তেওঁ স্থানীয় ৰাইজক অইলৰ কাম-কাজত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে অঞ্চলটোত এখন ষ্টেডিয়াম নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় বিধায়কগৰাকীক আহ্বান জনায় আৰু ইয়াৰ বাবে ৰাজ্য চৰকাৰে পুঁজি প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰহমৰীয়াত সংঘটিত নাও দুৰ্ঘটনাত নিহত তিনিগৰাকী লোকৰ নিকটাত্মীয়লৈ ৪ লাখ টকাকৈ আৰ্থিক সাহায্যও প্ৰদান কৰে।

ডিব্ৰুগড়ৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, প্ৰশান্ত ফুকন, তেৰছ গোৱালা, চক্ৰধৰ গগৈ, পোণাকন বৰুৱা আৰু তৰংগ গগৈ, এ টি ডি চিৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলা পৰিষদৰ সভাপতি ডেইজী ৰাণী ফুকন শ্যাম, অইলৰ আৱাসিক মুখ্য কাৰ্যবাহী প্ৰশান্ত বৰকটকী, অইলৰ সঞ্চালক মণ্ডলীৰ প্ৰতিনিধিবৰ্গ ক্ৰমে পংকজ কুমাৰ গোস্বামী, মানস কুমাৰ শৰ্মা প্ৰমূখে গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

বীঃগঃ / হেঃশঃ
২০/০৮/২০২২